**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়ত ভোটগ্ৰহণ। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। নিৰ্বাচনী দায়িত্বত থকা প্ৰিজাইডিং, প'লিং আৰু নিৰাপত্তাৰক্ষীৰ ইভিএমসহ কৰ্তব্যস্থানত উপস্থিত।

৩। কেৰালাম আৰু পুডুচেৰীত কাইলৈ পুৱা ৭ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ।

৪। দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু সম্প্ৰতি নিয়মীয়া যোগান অব্যাহত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ প্ৰকাশ । **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু গুজৰাট টাইটানছ মুখামুখি।

ooooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আম্‌ৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

**বাইট (অনুৰাগ গোৱেল)**

শ্ৰীগোৱেলে কয়, যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু দিব্যাংগসকলৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন উদ্যোগ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলাই জিলাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে জনসাধাৰণক নিৰ্ভয়ে ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

**বাইট (হৰমিত সিং)**

০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে প্ৰতিখন জিলা সদৰৰ পৰা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ লগতে নিৰ্বাচনী দায়িত্বত থকা নিৰাপত্তাৰক্ষী ইভিএমসহ কৰ্তব্যস্থানত উপস্থিত হৈছে।

**ডিব্ৰুগড়** জিলাৰ অন্তৰ্গত ৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল সাজু হৈছে। জিলাখনত মুঠ ১০ লাখ ৪১ হাজাৰ ৯৩৫ গৰাকী ভোটদাতা আছে। জিলাখনত মুঠ এহেজাৰ ৩২৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৩০০তকৈও অধিক ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

**মাজুলী** বিধানসভা সমষ্টিত ১৮৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২০টা হৈছে মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ। আজি পুৱাৰে পৰা প'লিং আৰু প্ৰিজাইডিং বিষয়া তথা সুৰক্ষা বাহিনীৰ লোকসকলে ইভিএম আৰু অন্যান্য সামগ্ৰীসহ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হয়।

**গোলাঘাট** জিলাত নিৰ্বাচন উপলক্ষে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জিলাখনৰ ৫টা বিধানসভা সমষ্টিত এহেজাৰ ১৫৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ৯ লাখৰো অধিক ভোটদাতাই এই কেন্দ্ৰসমূহত ভোটদান কৰিব পাৰিব। তদুপৰি জিলাখনৰ ২৫৮টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

**বিশ্বনাথ** জিলাৰ তিনিওটা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল সাজু হৈছে। জিলাখনত দুহেজাৰ ৮৭২ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে।

**নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ এহেজাৰ ৮৬৮টা ভোটগ্ৰহণ কেন্দ্ৰত আজি দিনৰ ভাগতে সকলো প্ৰিজাইডিং আৰু প'লিং বিষয়া উপস্থিত হয়। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে চিচিটিভিৰ উপৰি যাৱতীয় সকলো ব্যৱস্থা কৰা হৈছে। জিলাখনত মুঠ ২০০টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰ আছে। নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

**বাইট (দেৱাশীষ শৰ্মা)**

**মৰিগাঁও** নিৰ্বাচনী জিলাতো ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। এইবাৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ বাবে সুকীয়া সময় নিৰ্ধাৰণ কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত সামগ্ৰী বিতৰণ কেন্দ্ৰত ভিৰ যথেষ্ট হ্ৰাস পায়। জিলাখনৰ ৯৬৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ৪ হাজাৰ ৭২৪ জন বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। জিলাখনত ৭ লাখ ৬৬ হাজাৰ ৫৮৮ গৰাকী পঞ্জীয়নভুক্ত ভোটদাতা আছে।

**গোৱালপাৰা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে প্ৰশাসন সাজু হৈছে। জিলাখনত এহেজাৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰ আছিল যদিও শেহতীয়াকৈ গোৱালপাৰা পশ্চিম সমষ্টিৰ এটা ভোটকেন্দ্ৰত ভোটদাতাৰ

সংখ্যা নিৰ্ধাৰিত হিচাপতকৈ অধিক হোৱাত তাত অতিৰিক্ত এটা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ২৮৩টা হৈছে স্পৰ্শকাতৰ ভোটকেন্দ্ৰ।

**ধুবুৰী** জিলাৰ ৫টা বিধানসভা সমষ্টিৰ এহেজাৰ ৫৪৮টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল উপস্থিত হৈছে। জিলাখনত মুঠ ১২ লাখ ২০ হাজাৰ ৩৮৪ গৰাকী ভোটদাতা আছে।

**দক্ষিণ শালমাৰা**ৰ মানকাচৰ বিধানসভা সমষ্টিৰ ৪০২টা কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে প'লিং আৰু প্ৰিজাইডিং বিষয়াসকল নিজ নিজ কেন্দ্ৰত উপস্থিত হৈছে। সমষ্টিটোত ৫৬টা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ আছে আৰু ইয়াৰে বাংলাদেশ সীমান্তত থকা ৪টা ভোটগ্ৰহণ কেন্দ্ৰলৈ যন্ত্ৰচালিত নাৱেৰে বিষয়াসকলে যাত্ৰা কৰে।

**বৰপেটা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ এহেজাৰ ১২১টা ভোটগ্ৰহণ কেন্দ্ৰত ৩ হাজাৰ ৯৯২ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। চাৰিটা সমষ্টিতে এটাকৈ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। বৰপেটা সমষ্টিৰ নাৰ্চাৰী আৰু প্ৰাথমিক বিদ্যালয়ত বিশেষভাৱে সক্ষম লোকৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

কেৰালাম আৰু পুডুচেৰীত কাইলৈ পুৱা ৭ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। কেৰালামৰ ১৪০ টা সমষ্টিৰ ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০ টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। পুডুচেৰীৰ ৩০ টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয় শাসিত অঞ্চলটোত ভোটদানৰ সুযোগ লাভ কৰিছে আৰু ইয়াৰে ২৪ হাজাৰ ৯১৯ গৰাকী প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনত ভোটদানৰ বাবে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্য ১২ বিধ নথি দেখুৱাই ভোটদান কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে। ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ নথকা ভোটদাতাসকলে এই ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই নথিসমূহৰ ভিতৰত আছে আধাৰ কাৰ্ড, এম জি এনৰেগাৰ জবকাৰ্ড, ডাকঘৰৰ পাছবুক, আয়ুষ্মান ভাৰত, স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, পেনকাৰ্ড, পাৰপত্ৰ ইত্যাদি। ভোটদাতাগৰাকীৰ পৰিচয় সম্পৰ্কে নিশ্চিত তথ্য থাকিলে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। ভোটাৰ পৰিচয় পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে ভোটদাতাগৰাকীৰ পৰিচয় সাব্যস্ত কৰাত সমস্যা হ'লে তেওঁ উল্লেখিত ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাব লাগিব।

০০০০০

অসমকে ধৰি ৫ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনৰ পাছতে ২২ খন ৰাজ্যত অন্তিম পৰ্যায়ৰ ভোটাৰ তালিকা বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। তৃতীয় তথা অন্তিম পৰ্যায়ত হ'বলগীয়া এই সংশোধনী অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, চণ্ডিগড়, দাদৰা আৰু নগৰ হাভেলী, দমন আৰু ডিউ, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, ঝাৰখণ্ড, কৰ্ণাটক, লাডাখ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, দিল্লী, ওড়িশা, পাঞ্জাব, চিকিম, ত্ৰিপুৰা, তেলেংগানা আৰু উত্তৰাখণ্ডত কৰা হ'ব। এই ৫ খন ৰাজ্যত মুঠ ৩৯ কোটি লোকৰ ভোটাৰ তালিকাত নাম পৰীক্ষণ কৰা হ'ব।

ooooo

দেশৰ খনি আৰু শক্তি প্ৰকল্পসমূহত পৰ্যাপ্ত পৰিমাণৰ কয়লা মজুত আছে চৰকাৰে প্ৰকাশ কৰিছে। পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত আন্তঃমন্ত্ৰালয়ৰ বৈঠকত কয়লা মন্ত্ৰালয়ৰ যুটীয়া সচিব সঞ্জীৱ কুমাৰ কাচ্চিয়ে কয়, যে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত দেশত কয়লাৰ মূল্য বৃদ্ধি হোৱা নাই আৰু পৰ্যাপ্ত পৰিমাণ কয়লা মজুত আছে।

একেদৰে দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেলো পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু সম্প্ৰতি নিয়মীয়া যোগান অব্যাহত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ গ্ৰাহকসকলক অগ্ৰাধিকাৰ দি ১০০ শতাংশ যোগান নিশ্চিত কৰা হৈছে। অৱশ্যে ব্যৱসায়িক ৰন্ধন গেছৰ যোগান ব্যৱস্থা সামান্য নিয়ন্ত্ৰণ কৰা হৈছে। ইপিনে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজৰ যুদ্ধবিৰতিৰ ঘোষণাক আদৰণি জনাইছে। ইয়াৰ ফলত পশ্চিম এছিয়াত স্থায়ী শান্তি প্ৰতিষ্ঠা হোৱাৰ লগতে হৰমুজ প্ৰণালীৰে বাধাহীনভাৱে নৌ পৰিবহণ তথা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰভাৱ অব্যাহত থাকিব বুলি ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আশা ব্যক্ত কৰিছে। শ্ৰীজয়ছোৱালে লগতে কয়, যে শান্তি আৰু স্থিৰতাৰ বাবে গ্ৰহণ কৰা সকলো পদক্ষেপক ভাৰতে আদৰণি জনাইছে আৰু ইয়াৰ জৰিয়তে ইউক্ৰেইনৰ শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াসকো উৎসাহিত কৰা হ'ব বুলি আশা কৰা হৈছে।

ooooo

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে কাইলৈৰ পৰা **পৰিপুষ্টি পযেক**ৰ অষ্টম সংস্কৰণ ৰূপায়ণ কৰিব। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জীৱনৰ প্ৰথম ছবছৰত শিশুৰ মগজুৰ বিকাশ সৰ্বাধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কাইলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত বিয়লি ৩ বজাৰ পৰা আয়োজিত অনুষ্ঠানত এই পযেকৰ শুভাৰম্ভ কৰা হ'ব। এই সময়চোৱাত শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই ১৫ টা দিনত সমগ্ৰ দেশৰ অঙ্গনবাড়ী কেন্দ্ৰসমূহত মাতৃ, অভিভাৱক, পৰিয়াল আৰু স্থানীয় সংগঠনসমূহৰ সহযোগিতাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত পুষ্টি পঞ্চায়ত, সজাগতামূলক অভিযান, খেল-ধেমালীৰ মাধ্যমেৰে শিক্ষণ আৰু সুস্থ জীৱনশৈলী প্ৰসাৰৰ কাৰ্যসূচী লোৱা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অভিযান সন্দৰ্ভত কয় যে পৰিপুষ্টি সম্পন্ন শিশুয়েহে শক্তিশালী ৰাষ্ট্ৰ ভেটি গঢ়িব পাৰে।

০০০০০

এইবাৰৰ অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰে ৬৬৩ জন পুৰুষ আৰু ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যৰ ৭৮ টা বিধানসভা সমষ্টিত কোনো মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা নাই। এই সমষ্টিসমূহৰ ভিতৰত আছে হাওৰাঘাট, আমৰি, লখিমপুৰ, বৰাক উপত্যকাৰ উদাৰবন্দ, কাটিগড়া, শিলচৰ, সোণাই, হাইলাকান্দি, ঢলাই, আলগাপুৰ কাটলিচেৰাত, উজনি অসমৰ শিৱসাগৰ, নাজিৰা, মাজুলী, যোৰহাট, ঢেকিয়াজুলি, ৰঙাপৰা, নদুৱাৰ, বৰক্ষেত্ৰী, নলবাৰী, টিহু, ভৱানীপুৰ, সৰভোগ, পলাশবাৰী, পূৱ গোৱালপাৰা ইত্যাদি। বিজেপিয়ে ছগৰাকী কংগ্ৰেছে ১৩ গৰাকী, এছ ইউ চি আই ১২ গৰাকী, অসম গণ পৰিষদে এগৰাকী, আম আদমী পাৰ্টীয়ে ৩ গৰাকী, অসম জাতীয় পৰিষদে এগৰাকী, ৰাইজৰ দলে এগৰাকী, চি পি আই এমে এগৰাকী, ঝাৰখণ্ড মুক্তি মৰ্চাই এগৰাকী আৰু তৃণমূল কংগ্ৰেছ দলে দুগৰাকী মহিলাক প্ৰাৰ্থীত্ব দিছে।

ইপিনে, এইবাৰৰ নিৰ্বাচনত ৪০ বছৰ বয়সৰ অনুৰ্ধ ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ১৮ ৰ পৰা ১৯ বছৰ বয়সৰ ৬ লাখ ৪২ হাজাৰ ৩১৪ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলগীয়া এইবাৰৰ নিৰ্বাচনত এই নৱ প্ৰজন্ম প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দিতা কৰিছে। নিৰ্বাচনৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে তিনিচুকীয়াত ৩৮ বছৰীয়া ডেভিদ টি ফুকন, চামগুৰিত ২৭ বছৰীয়া তানজিল হুছেইন আৰু আলগাপুৰ কাটলিচেৰাত ৩৪ বছৰীয়া জুবেইল আনন্দ মজুমদাৰক প্ৰাৰ্থীত্ব দিছে। বিজেপিয়ে হাফলঙত ৩৬ বছৰীয়া ৰূপালী লাংথাছা আৰু পশ্চিম গোৱালপাৰাত ৩০ বছৰীয়া পবিত্ৰ ৰাভাক প্ৰাৰ্থীত্ব দিছে। ৰাইজৰ দলে মৰিয়নি সমষ্টিত ৩৪ বছৰীয়া ড০ জ্ঞানেশ্ৰী বৰাক আৰু মাৰ্ঘেৰিটা সমষ্টিত ৩০ বছৰীয়া ৰাহুল চেত্ৰীক প্ৰাৰ্থীত্ব আগবঢ়াইছে। অসম জাতীয় পৰিষদ দলে মধ্য গুৱাহাটী সমষ্টিত ২৭ বছৰীয়া কুংকি চৌধুৰীক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ নিৰ্বাচনত ২ লাখ ৫ হাজাৰ ৮৫ গৰাকী বিশেষভাৱে সক্ষম আৰু দুহেজাৰ ৪৬৬ গৰাকী শতায়ু গৰকা ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ 'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ